জিলাৰ বকোত চৈধ্য মাৰ্চত এগৰাকী প্ৰধান শিক্ষকক চাকৰিৰ পৰা বৰ্খাস্তৰ দাবী জনাই চাৰিটাকৈ অনুষ্ঠানে শিক্ষা বিষয়াক স্মাৰকপত্ৰ দিয়া ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি বকো থানাৰ অন্তৰ্গত বৌমাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মোহন চন্দ্ৰ ৰাভাই বিদ্যালয়খনত অস্থায়ী হিচাপে কাম কৰা শিক্ষয়িত্ৰী এগৰাকীক যোৱা ১০ মাৰ্চত মহিলা সমিতিয়ে প্ৰধান শিক্ষক মোহন চন্দ্ৰ ৰাভাক গ্ৰেপ্তাৰ কৰাৰ দাবীত বকো থানা ঘেৰাও কৰাত বকো আৰক্ষীয়ে ১১ মাৰ্চত প্ৰধান শিক্ষকগৰাকীক গ্ৰেপ্তাৰ কৰি আদালতৰ জৰিয়তে জে'ললৈ প্ৰেৰণ কৰে। ইয়াৰ পিচত সম্প্ৰতি জে'লত থকা প্ৰধান শিক্ষকগৰাকীৰ পুত্ৰ বশিষ্ঠ ৰাভাই ওলোটাই অভিযোগকাৰী শিক্ষয়িত্ৰী, শিক্ষয়িত্ৰীগৰাকীৰ ককায়েক আৰু মোমায়েকৰ বিৰুদ্ধে পিতৃক মাৰধৰ

ৰাইজ খৰ্গ
প্ৰাথমিক বি
বৌমাৰী
বিদ্যালয় প
সংঘই এখন
জনোৱাৰ
পৰা বৰ্খাস্ত
শিক্ষা বিষয়

# সুৰেন দাস মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

**প্ৰতিদিন সেৱা, হাজো, ১৯ মাৰ্চ ঃ** জি ইউ-এলাইচ ইণ্ডিয়া আউটৰিচ প্ৰগ্ৰেমৰ অধীনত আৰু হাজো সুৰেন দাস মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগ আৰু আই কিউ এ চিৰ উদ্যোগত ৮ মাৰ্চত এক বক্তৃতামালা



অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ মাধৱদেৱ ৰংগমঞ্চ প্ৰেক্ষাগৃহত অনুষ্ঠিত বক্তৃতানুষ্ঠানৰ আদৰণী ভাষণত অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই হাজোৰ ঐতিহ্য আৰু মহাবিদ্যালয়খনৰ বিভিন্ন দিশৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা জ্যোতিস্মিতা দলেই আঁত ধৰা বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি শান্তিস্বৰূপ ভাটনাগৰ পুৰস্কাৰপ্ৰাপ্ত বিশিষ্ট বিজ্ঞানী, অধ্যাপক বেদাংগ দাস মহান্তিয়ে পদাৰ্থৰ ভৰৰ ওপৰত আলোকপাত কৰে। মহাবিদ্যালয়খনৰ দুই শতাধিক শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত তথা বক্তৃতানুষ্ঠানত মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক অমৰ দাস আৰু নৱ কুমাৰ কলিতাই উপস্থিত ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰে।